ষষ্ঠত, ইংৰাজী নৱন্যাসে স্কটলেণ্ডৰ জাতীয় গীত-কাব্যলৈ চাল খুউৰাৰ দৰে চন্দ্ৰকুমাৰে বীণ-বৰাগী আৰু তেজীমলা কবিতা আদিৰে সেই জন-সাহিত্যলৈ আঙুলিয়াইছিল। ইংলণ্ডৰ ৰেষ্টৰেশ্যন যুগৰ পৰা লুপ্ত হোৱা আৰু ৰবাৰ্ট বাৰ্ন্‌ছে পুনৰুদ্ধাৰ কৰা গুটীয়া প্ৰেমৰ ভাব তাৰ দৰে সপ্তম গুণ ৰূপে চন্দ্ৰকুমাৰত প্ৰকাশ পাইছে, "সুধা মুখ" আৰু অতুলন "মাধুৰী" আদিৰ ভিতৰেদি :

"ফুলো নে ফুকুলোঁকৈ কুমলীয়া কলিটি। ওঠত লাজেৰে বৈ মিচিকিয়া হাঁহিটি ॥
সামৰি পাহৰি গৈ মেলি আধা প্ৰাণটি। উদঙাই ঢাকি থৈ উঠি অহা বুকুটি ॥
সোলকাই মোকলাই এধা বন্ধা খোপাটি। হয় নে নহয় কৈ এধা-ফুটা মাতটি ॥
শুনো কি হুশুনো ঐ উটি অহা গীতটি। ৰিণিকি ৰিণিকিকৈ কৰৎবাৰ বাঁহীটি ॥
উচুপি নিচুকি গৈ খন্তেকীয়া ঠেহটি। লুকুৱা-ভুমুকাকৈ ছঁয়ামৰা পেঁচটি ॥
হাঁহোঁৱেইনে কান্দোকৈ চলচলীয়া চকুটি। ধেমালি খণ্ডৰ নৈ মিঠা গাঁঠি খোপাটি ॥
ওলাওঁ-নোলাওঁকৈ মনমোহা ঠগটি। ন যযৌ ন তস্থৌ অগা-পিছা ভৰিটি ॥
সান-মিহলিৰলৈ ওভতনি সোঁতটি। সাঁথৰ-ভাঙনি হৈ পানীমিঠে গোটটি ॥
চাওঁনে নেচাওঁকৈ মৰমৰ দেহীটি। দেৱী নে মানৱী ঐ মাধুৰীৰ ছবিটি ॥"

কিন্তু নৱন্যাস কবিসকলত বিৰল আৰু ডন্ আদি ইংৰাজ মনস্তাত্ত্বিক কবিসকলৰ (১৬৩৭-১৭৩১) দৰে আধ্যাত্মিকতা চন্দ্ৰকুমাৰৰ কবিতাৰ অষ্টম গুণ; তেওঁৰ "বিশ্বভাৱবীয়া," "মই" আদি কবিতা এই শাৰীৰ। কিন্তু এই মনস্তাত্ত্বিক কবিসকলৰ দৰেই চন্দ্ৰকুমাৰৰ ভাব কেতিয়াবা অস্পষ্ট হয়, আৰু ছন্দ কেতিয়াবা খোৰায়। তাৰ পৰা চন্দ্ৰকুমাৰ শিল্পীতকৈ কবি বুলিহে বুজিব পাৰি; কিয়নো স্বাভাবিক গতিত তেওঁৰ কবিতাই চূড়ান্ত লভিছে। স্বৰূপতে চন্দ্ৰকুমাৰ বৰ্ত্তমান সাহিত্যৰ এজন বিশিষ্ট বাণী-সম্পন্ন শ্ৰেষ্ঠতম কবি; বাণীৰ উপৰিও এনে কাব্যৰ মহত্ত্ব (ছব্লিমিটী) গুণেৰে গুণী কবি বৰ্ত্তমান সাহিত্যত বিৰল। উদাহৰণ স্বৰূপে, ভাব-ভাষা উভয়তে মহত্ত্বৰ গগন-স্পৰ্শী কবিতা "আশীৰ্বাদ"।

চন্দ্ৰকুমাৰত মিল্টনৰ কবিতাৰ এই আপুৰুগীয়া মহত্ত্ব (ছব্লিমিটি) গুণ আৰু শ্বেলীৰ সেই বিদ্ৰোহী ভাবৰ উপৰিও, কীটছৰ সেই নিজা সৌন্দৰ্য্য-সাধনা অতি প্ৰৱল আছিল; "সৌন্দৰ্য্যৰ আৰাধনা জীৱনৰ খেল; অভিনয় অন্তে মোৰ কাল যৱনিকা।" আদি অনেক ৰূপে এওঁ ইয়াৰ সহাৰি দিছে। ব্যক্তিগত জীৱনৰ সেই পৰস্পৰ-বিৰোধী স্বভাৱেও তেওঁৰ অভিনৱ ব্যক্তিত্বৰ এটি অপূৰ্ব্ব মোহৰেই সঙ্কেত দিয়ে। তেওঁ বিচক্ষণ ধনিকৰ আছিল আৰু তেওঁ

দিঠকত সুন্দৰৰ সপোন দেখিছিল সচা; কিন্তু সেই কলাবিদ্যাক ব্যৱহাৰত খটোৱা আৰু সপোন-দিঠকক সানি-পুটকি এক কৰাই তেওঁৰ আচৰিত চেষ্টা আছিল। সুন্দৰক পদ্য-গদ্যতে আবদ্ধ নাৰাখি তেওঁৰ "আসাম প্ৰিন্টাৰ্ছ এণ্ড্ পৱ্লিশ্বাৰ্ছ"ৰ দৰেই তেওঁ সৌন্দৰ্য্যৰ এক "লিমিটেড্ কম্পেনী" পাতি কামত লগাব খুজিছিল; কিয়নো তেওঁ ভাবুক আৰু কবি হলেও আলাসত চাংপতা বিধৰ কেতিয়াও নাছিল। আগৰ ছোৱাত তেওঁ গান্ধীবাদৰ বিৰোধী আছিল; কিন্তু ১৯২১ত মহাত্মা আহি যেতিয়া তেওঁৰ ডিব্ৰুগড়ৰ ঘৰত আলহী হলহি তেতিয়াৰ পৰাই তেওঁ অকল "মহাত্মা গান্ধী" কবিতা লিখিয়ে ক্ষান্ত নহল, ভিতৰে-বাহিৰে সম্পূৰ্ণ গান্ধীময় হৈ পৰিল। তেওঁ লিখিছিল—"মোৰেই মাজেদি মানৱ-প্ৰাণৰ ফুটক আকুল মাত। মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ সত্য হক প্ৰতিভাত॥" স্বৰূপতে মানৱ-প্ৰেমৰ এই মধুৰ আৰু গধুৰ বাণীৰে চন্দ্ৰকুমাৰৰ কবিতা চিৰমুখৰ।

লক্ষ্মীনাথ বেজবৰুৱা (১৮৬৮-১৯৩৮) অসমীয়া নৱন্যাসৰ ত্ৰিমূৰ্ত্তিৰ দ্বিতীয়টি। এওঁ পিতাক দীননাথ বেজবৰুৱা মুন্সুফ নগাঁৱৰ পৰা বৰপেটালৈ বদলি হৈ নাৱেৰে যাওঁতে বাটত আঁহতগুৰি নামৰ ঠাইত অভিনৱভাৱে ব্ৰহ্মপুত্ৰৰ কোলাত লক্ষ্মী-পূৰ্ণিমাৰ ৰাতি জন্মে। স্বলিখিত "জীৱন সোঁৱৰণ"ত এওঁ সৰুতে পিতাকৰ লগত ফুৰা বৰপেটা, তেজপুৰ, উত্তৰ লখীমপুৰ নগৰবোৰৰ সুন্দৰ বিৱৰণ দিছে। ১৮৭৩ত দীননাথে অৱসৰ লৈ নিজ ঠাই শিৱসাগৰত বহোঁতে লক্ষ্মীনাথক পোনতে তাৰ বঙলা আৰু পাছত ইংৰাজী পঢ়াশালিত নাম লগাই দিয়া হয়; আৰু তাৰ পৰাই ১৮৮৬ত প্ৰৱেশিকা মহলাত উঠি কুৰি টকীয়া জলপানি ধৰি কলিকতাত পঢ়িবলৈ যায়। তেওঁ তাত পোনতে ৰিপন কলেজত নাম লগাই পাছত ছিটী কলেজলৈ আহি তাৰ পৰাই ফাৰ্ষ্ট আৰ্ট্‌ছ্ মহলাত উঠে; সেইদৰেই কলিকতাতে বি-এ ডিগ্ৰী পাই এম্-এ আৰু বি-এল্ মহলা দিবলৈ বুলি পঢ়ে। সৰুৰে পৰাই লক্ষ্মীনাথৰ স্কুল-কলেজৰ শিক্ষাত ৰাপ নবহিছিল, আৰু এতিয়া বি-এল্ শেষ পৰীক্ষাত পাঠ্য-সূচীৰ বাহিৰৰ পৰা অনেক প্ৰশ্ন কাটি বহুত পৰীক্ষাৰ্থীক অকৃতকাৰ্য্য কৰাত কলিকতাৰ বঙালী আৰু আন সকলো সহপাঠীৰ নেতা হৈ বিশ্ববিদ্যালয়ৰ ওপৰত হাই-কৰ্টত গোচৰ দাৰি ধৰি সেইদৰেই পঢ়াৰ সামৰণি পেলায়। কলিকতাত থকা কালতে মুন্সুফ দীননাথৰ সুযোগ্য পুত্ৰ লক্ষ্মীনাথক একাধিক বাৰ মুন্সুফ পদ যচাতো তেওঁ তাক গ্ৰহণ নকৰি কলিকতাৰ

বিখ্যাত অসমীয়া সদাগৰ ভোলানাথ বৰুৱাৰ লগত কাঠৰ কাৰবাৰ কৰিবলৈ লয়; অলপ দিন চলাৰ পাছত অলপ মনোমালিন্য হৈ ওলাই আহি বেজবৰুৱাই কলিকতাৰ বাৰ্ড কম্পেনীৰ ব্যৱসায়ত লগ লাগে, আৰু শেষত সম্বলপুৰলৈ গৈ তাত অকলে কিছুকাল কাঠৰ কাৰবাৰ কৰি শেষ কালত অসমলৈ ঘূৰি আহি ডিব্ৰুগড়ত আকৌ সেই ব্ৰহ্মপুত্ৰৰ পাৰতে ঢুকায়। দুখতেই এওঁৰ জীৱন সুদৃঢ় সাহিত্য-চৰ্চাৰ অনুকূল নাছিল; তাতে এওঁ কলিকতাৰ ঠাকুৰ পৰিয়ালত বিয়া-বাৰু কৰাই ঘৰে-পৰে প্ৰতিকূল বঙালী সমাজতে জীৱন অতিবাহিত কৰিলে। অসমীয়াৰ সৌভাগ্যক্ৰমে এই প্ৰতিকূল অৱস্থাবোৰৰ প্ৰতিক্ৰিয়াই দৃঢ়-মনা বেজবৰুৱাক অসমীয়া সাহিত্যৰ সেৱা কৰি অমৰ হবলৈ দুগুণ উৎসাহ আৰু উদগনিহে দিলে।

সাহিত্য-সেৱাৰ বাবে "জোনাকী" আৰু তাৰ সৰ্বহ চন্দ্ৰকুমাৰেই এওঁৰ প্ৰথম প্ৰেৰণা বুলি "জীৱন সোঁৱৰণ"ত বেজবৰুৱাই স্বীকাৰ কৰিছে। ১৮৮৯ৰ জানুৱাৰীত ওলোৱা এই আলোচনীৰ প্ৰথম সংখ্যাতে বেজবৰুৱাৰ অসমীয়া পুৰণি সাধুৰ ওপৰত লিখা ধেমেলীয়া নাটক "লিটিকাই" আৰম্ভ হয় আৰু তাত ছোৱা-ছোৱাকৈ ওলোৱাৰ পাছত ১৮৯০ত পুথিৰ আকাৰে ওলায়; এই প্ৰথম চেষ্টাতে বেজবৰুৱাক অসমীয়া সাহিত্যৰ এজন শক্তিধৰ লেখক বুলি আটায়ে চিনি পালে। চাৰ্লছ্ ডিকেন্সৰ (১৮১২-৭০) পিকৃউইক পেপাৰ্ছৰ দৰে লিখা বেজবৰুৱাৰ "কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা" ১৯০৪ত প্ৰকাশিত হয়, আৰু "লিটিকাই"-তকৈও নতুন হাস্যৰসৰ এই ধুমুহাই বৰদৈ-চিলাৰ দৰেই গোটেই অসম জুৰি যায়; পিতাকৰ লগৰ পৰা আহি চন্দ্ৰকুমাৰে বেজবৰুৱা আৰু হেম গোস্বামীৰে কলিকতাৰ ২ ভৱানীচৰণ দত্ত লেনৰ মেছত থাকোঁতে গোস্বামীৰ সম্পাদকতাত ওলোৱা দ্বিতীয় বছৰৰ "জোনাকী"তে পোনতে এওঁৰ এইবোৰ ৰচনাও লানি পাতি ওলায়। ১৯০৫ত ওলোৱা এওঁৰ উপন্যাস "পদুম-কুঁৱৰী"ও সেইদৰেই পোনতে এওঁ তেতিয়া নিজে সম্পাদক হৈ চলোৱা তৃতীয় বছৰৰ "জোনাকী"ত ধাৰাবাহিক ৰূপে ওলাইছিল; অলপ পাছত ওলোৱা ৰবদলৈৰ "দন্দুৱা দ্ৰোহ" উপন্যাসৰ দৰে নামনি অসমৰ হৰদত্ত-বীৰদত্তৰ বুৰঞ্জীমূলক ঘটনা লৈ লিখা এই উপন্যাসৰ ৰচনা-ৰীতিয়েও বেজবৰুৱাৰ প্ৰতিভাৰ এই এটি ফাল উজ্জ্বলকৈ দেখুৱাইছিল। ১৯০৩, ১৯০৯ আৰু ১৯১৪ত যথাক্ৰমে এওঁৰ "কামত কৃতিত্ব লভিবৰ সঙ্কেত", "দীননাথ বেজবৰুৱাৰ জীৱনী", আৰু "বাখৰ" আদি সৰু সৰু

পুথিকেখন ওলায়। ১৯১০ আৰু ১৯১৫ত সেইদৰে এওঁৰ ভাঙনি পুথি ভাৰত-বৰ্ষৰ বুৰঞ্জী আৰু ভাগৱত-কথা ওলায় ; আৰু ১৯১০,১৯১১ আৰু ১৯১২ত যথাক্ৰমে জুনুকা, বুঢ়ীআইৰ সাধু আৰু ককাদেউতা-নাতিলৰা শিশু সাহিত্য প্ৰকাশিত হয়। ১৯১১ আৰু ১৯১৪ত সেইদৰে এওঁৰ "শঙ্কৰদেৱ" আৰু "শঙ্কৰদেৱ আৰু মাধৱদেৱ" পুথি ওলাই অসমৰ বৈষ্ণৱ সাহিত্যৰ আধুনিক অধ্যয়ন আৰু গৱেষণাৰ বাট মুকলি কৰে। আকৌ, ১৯১৩ত "লিটিকাই"ৰ লগবীয়া "নোমল", "পাচনি" আৰু "চিকৰপতি নিকৰপতি" নামৰ তিনিখন ধেমেলীয়া নাটক ওলায় ; আৰু এই আটাইকেখন নাটকেই পুৰণি অসমীয়া সাধুৰ ওপৰত ভেটি পতা হলেও সাময়িক অসমীয়া সমাজৰ শুধৰণৰ বাবে মৌলিকভাৱে লিখা হৈছে। ১৯০৯, ১৯১২ আৰু ১৯১৩ত এওঁৰ সুৰভি, সাধুকথাৰ কুকি আৰু জোনবিবি নামৰ সাধু পুথিকেখন ওলায় ; আৰু স্বৰূপতে এই কেখনেই সামাজিক দৃষ্টি-ভঙ্গী আৰু সমালোচনাৰে অসমীয়া আধুনিক সাধু আৰু চুটি-গল্প সাহিত্যৰো ভেটি বান্ধে। ১৯১৩ত বেজবৰুৱাৰ "কদম-কলি" বোলা পদ-পুথি, আৰু ১৯১৫ত "চক্ৰধ্বজ সিংহ" "জয়মতী কুঁৱৰী" আৰু "বেলিমাৰ" নামৰ বুৰঞ্জীমূলক নাটকেখন প্ৰকাশিত হয়। পোনতে "জোনাকী" ওলোৱাৰ ঠিক দহ বছৰৰ পাছত ২ লালবজাৰ ষ্ট্ৰীটৰ পৰা "বাঁহী" ওলায় আৰু দহ বছৰমান কাল কলিকতাত বেজবৰুৱাই নিজ দায়িত্বতে চলায় ; এই সময়তে তেওঁ সম্বলপুৰলৈ যোৱাত অলপ দিনৰ বাবে ওলাবলৈ এৰাৰ পাছত পোনতে ডিব্ৰুগড়ৰ আৰু শেষত গুৱাহাটীৰ পৰা বেজবৰুৱাৰ নামতে চন্দ্ৰকুমাৰ আগৰৱালাই নিজ দায়িত্বত এই কাকত আকৌ কুৰি বছৰমান চলোৱাৰ পাছত কেবাখনো সম্পাদকীয় হাত সলনি হৈ আৰু দহ বছৰমানৰ মূৰত একেবাৰে ওলাবলৈ এৰে।

আগৰৱালাই অসমীয়া নৱন্যাসৰ প্ৰায় সকলোবোৰ লক্ষণ কুটাই তুলিলেও, যাইকৈ লক্ষ্মীনাথে তাৰ কেইবাটিবো বিকাশত সহায় কৰিলে নিশ্চয়। সৌন্দৰ্য্যৰ কৌতুহল সৃষ্টি কৰাও নৱন্যাসৰ এটি সংজ্ঞা বুলিব পাৰি, আৰু এই সম্পৰ্কত এওঁৰ অনুপম "ভ্ৰম" কবিতাটিলৈ লক্ষ্য কৰিব পাৰি :

"কোনে ক'লে সেয়া বাঁহী বাজে বুলি, বনদেৱী গীত গায় ;
শেৱালীৰ মালা নহয় সিথাৰি, তৰাবে গুঁথিছে হায়।...
কোনে কয়, সিটি, হৰিণা পোৱালি, ইমান চেতনা নাই ;
বনৰ সৌন্দৰ্য্য ৰূপ ধৰি আহি ডেও দি দুৰৰি খায়।"...

জাতীয় গীত-কাব্যৰ (বেলেড্) প্ৰতি ঢাল লোৱা নৱন্যাসৰ যি লক্ষণ সি আগৰৱালাতকৈ বেজবৰুৱাৰ "বীণ-বৰাগী" কবিতাৰ বাহিৰেও "মালতী" "বৰ আৰু সৰু" "ধনবৰ আৰু ৰতনী" আদি অনেক কবিতাৰ আৰু গীতৰ ভিতৰেদি সুন্দৰকৈ প্ৰকাশ পাইছে। আগৰৱালাৰ বীণ-বৰাগীও অতি উচ্চ ভাবৰ প্ৰকাশ হলেও, বেজবৰুৱাৰ বীণ-বৰাগীৰ সামৰণিটিয়ে যি মহত্ত্বৰ (ছুব্লিমিটী) আহি দেখুৱাইছে সিও চূড়ান্তস্পৰ্শী ঃ

"গা বীণ গা, অমৃত সঙ্গীত, শুকানে মেলক কুঁহি।
প্ৰবাস ভাগৰ আঁতৰি পলাওক, মুখত ওলাওক হাঁহি॥
বীণৰ বৰাগী বৰাগী নহয়, দুখীয়া নহয় তই।
আনন্দৰ কণা ৰসৰ নিজৰা বীণতে বান্ধিছ অই॥
নমা ঐ, নমা ঐ, আকাশী অমিয়া আকাশী গঙ্গাৰ দৰে।
দে মোক, দে মোক; বৰাগী ককাই ঐ, পিওঁ মই নিছিগা ধাৰে॥
নতুন প্ৰাণৰ ন চকুবুৰি, দীপিতি ঢালি দে তাত।
পুৰণি পৃথিৱী নকই চাই লওঁ, হে বীণ, এবাৰি মাত॥"

আগৰৱালাৰ দৰেই বেজবৰুৱাও শিল্পীতকৈ কবিহে আছিল, আৰু বীণ-বৰাগীৰ নিচিনা অতি ওখ শাৰীৰ কবিতাতো তেওঁৰ ছন্দই খোৱাইছিল ; অথচ-ধল অহা সময়ত ব্ৰহ্মপুত্ৰই ডাঙৰ ডাঙৰ চাপৰি ঢাকি সকলো কাঠ-জাঁজি উটাই অনাথ দৰে প্ৰেৰণাৰ মুহূৰ্ত্তত ওপৰৰ দৰে তেওঁৰ কবিত্বই সকলো ঢৌৱাই নিছে। মুঠতে প্ৰায় আধা শতিকা (১৮৮৮-১৯৩৮) বেজবৰুৱা বৰ্ত্তমান অসমীয়া সাহিত্যৰ মুকুট-নিপিন্ধা সম্ৰাট আছিল ; আৰু এই দৰে সুদীৰ্ঘ কাল মহাপয়োভৱে অসমীয়া সাহিত্যৰ অধিনায়কত্ব কৰা ব্যক্তি বৰ্ত্তমান সাহিত্যতে কিয়, শঙ্কৰদেৱৰ পাছত নাই বুলিলেও হয়। (অধ্যয়ন, ২১৯-২৩)

হেমচন্দ্ৰ গোস্বামী (১৮৭২-১৯২৮) অসমীয়া নৱন্যাসৰ ত্ৰিমূৰ্ত্তিৰ তৃতীয়টি। ১৮৭২ৰ ৮ জানুৱাৰীত গোলাঘাট মহকুমাৰ এখন সৰু গাঁৱত তেওঁৰ জন্ম ; পিতাক ডম্বৰুধৰ মৌজাদাৰ আৰু মাক ঘনকান্তি। এওঁৰ আঠ বছৰ বয়সতে এওঁৰে সৈতে দুটি লৰা আৰু এজনী ছোৱালী এৰি ডম্বৰুধৰ ঢুকায় ; আৰু ইংৰাজী শিক্ষাৰ বাবে তেৰ বছৰ বয়সত এওঁ নগাঁৱলৈ যায়। ১৮৮৯ত তাৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাৰ প্ৰেছিডেন্সী কলেজত ভৰ্ত্তি

হয়গৈ ; তাত চাৰি বছৰ পঢ়ি বি-এ ডিগ্ৰী লব নোৱাৰি ঘৰলৈ উলটি গুৱাহাটীৰ সোণাৰাম ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক হয়হি। তাৰ পাছত শ্বিলঙত চাকৰি বিচাৰি থাকি শেষত ছাৰ গেইটৰ লগত পৰিচিত হবৰ সুবিধা পাই তেওঁৰ অনুগ্ৰহত ১৮৯৭ত মাটি-হাকিম হয়। তাৰ পৰা মুন্সুফ কাৰ্যলৈ উঠি ১৯২৫ৰ ফেব্ৰুৱাৰীত সেই পদৰ পৰা আঁতৰি হৈ ১৯২৮ৰ ২ মেত গুৱাহাটীত তেওঁৰ মৃত্যু হয়। পঢ়াশলীয়া কালতে নগাঁৱত গুণাভিৰাম, বত্নেশ্বৰ, বলদেৱ, আদি সাহিত্যিকসকলৰ প্ৰভাৱত হেমচন্দ্ৰৰ সাহিত্য-প্ৰতিভা অঙ্কুৰিত হৈছিল আৰু তেতিয়াই "আসাম-বন্ধু"ত এওঁৰ শিশু-ৰচনা প্ৰকাশ পাইছিল। "জোনাকী", "বিজুলী", "অসমীয়া ভাষাৰ উন্নতি-সাধিনী সভা' আদিৰে কলিকতীয়া অসমীয়া ছাত্ৰৰ সমাজত এওঁ এজন অগ্ৰণী আছিল ; বিষয়া জীৱনত সোমায়ো পোনতে ১৯১২ৰ অক্টবৰৰ পৰা ১৯১৩ৰ মাৰ্চলৈকে পুৰণি পুথি সংগ্ৰহৰ বাবে চিফ্ কমিশ্যনাৰ আৰ্চডেল আৰ্লৰ নিয়োগ মতে এওঁ কাম কৰে। কামৰূপ অনুসন্ধান সমিতি, অসম সাহিত্য সভা আদিৰ এওঁ এজন ঘাই কৰ্মী আছিল ; আশুতোষ মুখোপাধ্যায়ৰ নিয়োগ মতে কৰা এওঁৰ "অসমীয়া সাহিত্যৰ চানেকি"ৰ বিপুল সংগ্ৰহ অসমীয়া সাউদ ভোলানাথ বৰুৱাৰ দানৰ ওপৰত কলিকতা বিশ্ববিদ্যালয়ে প্ৰকাশ কৰে। "হেমকোষ", "পুৰণি অসম বুৰঞ্জী", "কথা-গীতা" আদি পুথি সম্পাদন কৰি উলিওৱাৰ উপৰিও এওঁৰ নিজ কবিতাৰ থুপি "ফুলৰ চাকি" এওঁ ছপাই উলিয়ায়। মূল ছন্দৰ গঢ় ভাব আৰু আদৰ্শত ৰচা এওঁৰ "প্ৰিয়তমাৰ চিঠি" সকলো প্ৰকাৰে লাগতিয়াল—

"সৌন্দৰ্য্যৰ বুকৰ কাঁচলি উদঙাই,
প্ৰকৃতিৰ চো-ঘৰ চাওঁ৷ পিত্ পিত্ ;
কুকুৰা-ঠেঙীয়া এই আখৰ-কিটিত
যি অমিয়া থঁহা আছে, ক'তো আৰু নাই।
কবি-নিকুঞ্জত ফুলি কত কবিতাই
মলয়াত উটি উটি ফুৰে পৃথিৱীত ;
তোমাৰ চিঠিয়ে কিন্তু জ্ঞানে যিটি গীত,
কবিতাৰ কাব্যে তাৰ গোন্ধকো নাপায়।
ফুল ফুলে, সৰি যায়, শুকায় বননি ;
বসন্তৰ কুঁহিপাত ব'দত লেবেলে ;

তোমাৰ চিঠিয়ে, প্ৰিয়ে, জানে কি মোহনী,
নিতউ নোহোৱা বাহি ন ন ফুল মেলে।
যত শুঙো, চুমা খাওঁ, নালাগে আমনি ;
হৃদয়ত হেপাহৰ ভোটা তৰা জ্বলে।"

ইয়াৰ উপৰিও "কাকো আৰু হিয়া নিবিলাওঁ", "কাকুতি" আদি কবিতাই অসমীয়া নৱন্যাসৰ গুটীয়া প্ৰেমৰ বিষয়ত বিশেষ বৰঙণি যোগাইছিল। "জোনাকী" কাকতক উদ্দেশ্য কৰিয়ে লিখা আন এটি কবিতা আগৰৱালাৰ "আশীৰ্বাদ" আৰু বেজবৰুৱাৰ "বীণবৰাগী"ৰ সামৰণিৰ দৰেই নৱন্যাসৰ উপৰিও মহত্ত্ব (ছব্লিমিটী) গুণেৰে অলঙ্কৃত হৈ উঠিছে :

"গহীন দুপৰ নিশা নিতাল জগত, ক'তো নাই জোনাকৰ চিন ;
নিমাত বিশ্বৰ বাঁহী নিজম চেতনা, সুৰ-ভুলা জীৱনৰ বীণ।...
কোনোবা দেশৰ পৰা ধীৰ সোত বলি, আহিছে এখনি জুৰ নই ;
ৰিণিকি ৰিণিকি এটি নীৰৱ কবিতা, বাজিছে বুকত ৰই ৰই।...
দুটিমান জোনাকৰ সোণোৱালী ৰেখ লাহে লাহে ভৈয়াম নামিছে ;
সৃষ্টি-পাতনিৰ সেই জীৱন্ত ছবিটি ঘূৰি আহি ভুমুকি মাৰিছে।
জিলিঙনি এটি আহি পদুম বনত সৰগৰ ৰহন ঢালিছে,
অকলশৰীয়া দুটি পদুম কলিয়ে চুমা খাই হালিছে-জালিছে॥...
বৰষা অনন্ত কাল জ্ঞানৰ পোহৰ জ্যোতিৰ্ময়ী জোনাকী সবিতা ;
বজোৱা অনন্ত কাল পঞ্চমত তুলি, বীণাপাণি, কোমল কবিতা।"

ইয়াৰ গাম্ভীৰ্য্যৰ লগত আগৰৱালাৰ "বীণ-বৰাগী"ৰ কবিতা তুলনীয় ; "অসমীয়া সাহিত্যৰ অধ্যয়ন"ত ইয়াৰ উদাহৰণ দিয়া হৈছে :

"তোমাৰ বিননি শুনি থৰ হয় পশু-পখী গছ-লতা ;
লুইত উজায়, জোন তথা লাগে, মানুহৰ কিবা কথা !
হুমুনিয়া ৰাশি মৰম পৰশি তোমাৰো বিদাৰে হিয়া ;
সৰগৰ বীণ লৰণুত অধিক কোমলৰো কুমলীয়া।"

আনন্দচন্দ্ৰ আগৰৱালা (১৮৭৪-১৯৪০) তেজপুৰ মহকুমাৰ কলংপুৰ মৌজাত এওঁৰ জন্ম ; মাক ৰাধিকা আৰু পিতাক কাশীৰাম মৌজাদাৰ। ১৮৯১ত এওঁ তেজপুৰৰ ইংৰাজী পঢ়াশালিৰ পৰা সুখ্যাতিৰে প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ

হৈ কুৰি টকীয়া জলপানি ধৰি কলিকতাৰ মেট্ৰপলিটান (পাছত বিদ্যাসাগৰ) কলেজত এফ্‌-এ পঢ়ে। তেতিয়াই এওঁ আৰু কেইজনমান সহপাঠীৰে লগ লাগি ১৪১টা গীতেৰে "ধৰ্ম সঙ্গীত" নামে এখন পুথি উলিয়ায়। ৰুকণাভিৰাম বৰুৱাই প্ৰথম অসমীয়া শিশু-আলোচনী "লৰা-বন্ধু" উলিয়াওঁতে এৰো তাৰ সহকৰ্মী আছিল। এইদৰে নানা চৰ্চ্চাত কাল কটাই শেষত বিশ্ববিদ্যালয়ৰ কোনো ছাব-মোহৰ নোহোৱাকৈয়ে অসমলৈ ওলটে। অলপ দিন শিৱসাগৰ বেজবৰুৱা ইংৰাজী পঢ়াশালিত শিক্ষকতা কৰাৰ পাছত সামান্য চাকৰীয়াল ৰূপেই পুলিছ বিভাগত সোমাই দোপত দোপে উঠি তাৰ সৰ্ব্বশ্ৰেষ্ঠ পুলিছ ছুপাৰিণ্টেণ্ডেণ্ট পদৰ পৰা চাকৰি জীৱন সামৰে। আদি পাঠ, কোমল পাঠ, জিলিকনি আদি কেখনমান পঢ়াশলীয়া পুথিৰ বাহিৰে এওঁৰ প্ৰকাশিত মূল্যবান গ্ৰন্থ নাই; আলোচনীবোৰত প্ৰকাশিত এওঁৰ কবিতাৰ অতি সৰহখিনিয়েই ইংৰাজীৰ ভাঙনি। জীৱন-সঙ্গীত বোলা কবিতাটিও এওঁ প্ৰবেশিকা মহলাত উঠাৰ আগতে লিখা; কিন্তু এওঁৰ সকলোবোৰ ভাঙনিয়েই মৌলিক অসমীয়া কবিতাৰ দৰে, এই বাবেই এওঁ ভাঙনি-কোঁৱৰ বুলি জনাজাত। এওঁ তাটি বয়সত আলোচনী-বোৰত অৱশ্যে গৱেষণামূলক প্ৰবন্ধও কিছুমান লিখিছিল। সৰহখিনি ভাঙনিৰ সত্ত্বেও আনন্দচন্দ্ৰ কবি স্বৰূপে বহুত কাললৈ অসমীয়া সাহিত্যত জীয়াই থাকিব নিশ্চয়; নিজ মৌলিক কবিতাৰ ভিতৰত এওঁৰ নৱন্যাসমূলক "দেৱকন্যা মানৱী বেশেৰে", "তই", "পাগেশই", "ফুলকোঁৱৰ" আদি লেখৰ কবিতা। পুলিছ কৰ্মচাৰী হৈও এওঁ স্বভাৱৰ মধুৰতা আৰু প্ৰাণৰ কবিত্ব কি দৰে জীয়াই ৰাখিছিল সি ভাবিব লগা কথা। তেওঁৰ অপূৰ্ব পদ-লালিত্যৰ আভাস তেওঁৰ কবিতাৰ য'তে ততে পাব পাৰি (অধ্যয়ন, ৪-৫ পিঠি)—

"নিঠুৰ মানুহ,— নেথাকোঁ লগত, নিজান ঠাইলৈ যাওঁ;
নীল সাগৰত নীলাকাশ তলে বাই বাই মুৰৌ নাও।...
প্ৰতি ঢৌ মুখে হেওুলি বেলিয়ে এটি এটি চুমা দিব;
তাতে বগা মেঘে বগা দাঁত মেলি দূৰতে হাঁহি মাৰিব।...
এইবোৰ ভাবি ৰূপহী পাগেশে ঘৰকে আন্ধাৰ কৰি,
নীল সাগৰলৈ বেগে ওচি গল, কলমৌ পাতৰ ভৰী।...
এদিন পুৱাতে সাগৰ পাৰৰ এজোপা গছৰ মূলে,
দেখিলে মানুহে পাগেশই আই অনন্ত কাললৈ শুলে।

দুই তাঁৰ কেশ পৰিছে দুকালে নীয়ৰেৰে তিতি আছে ;
কোমল মুখত জিকিমিকি কৰি কনক কিৰণ নাচে।…
ৰূপহী আইটী অকালত হায়, বেজাৰত গ'ল মৰি ;
সুগন্ধি গোলাপ নিজানত ফুলি নিজানতে গ'ল সৰি।"

হিতেশ্বৰ বৰবৰুৱা (১৮৭৭-১৯৩০) যোৰহাট মহকুমাৰ সৰু-চৰাই খাতত ভদৰি বৰবৰুৱাৰ ঘৰত ওপজে। পিতাক চিকৌ গগৈৰ আৰ্থিক অৱস্থা স্বচ্ছল নথকাৰ বাবে এওঁ স্থানীয় ইংৰাজী পঢ়াশালিৰ মুধৰ শ্ৰেণীৰ পৰাই পঢ়া এৰি চাহ-বাৰীৰ কামত সোমায়। ১৯০২ত এওঁৰ "ঢোপাকলি" নামৰ খণ্ড কবিতা, ১৯১২ত "কমতাপুৰ ধ্বংস কাব্য", ১৯১৩ত "বিৰহিনীৰ বিলাপ কাব্য" আৰু "তিৰুতাৰ আত্মদান" কাব্য, ১৯১৪ত "আভাস কাব্য" আৰু "মালিতা" উপন্যাস, ১৯১৫ত "যুদ্ধক্ষেত্ৰত আহোম-ৰমনী কাব্য", ১৯১৭ত "আঙ্গিলা" আৰু "ডেছডি-মোনা কাব্য", ১৯১৮ত "মালচ" আৰু ১৯২২ত "চকুলো" নামৰ খণ্ড-কবিতাৰ পুথি প্ৰকাশিত হয়। এওঁৰ কীৰ্ত্তিস্তম্ভ যাইকৈ প্ৰথমৰ বুৰঞ্জীমূলক কাব্য কেইখনিয়েই ; কিয়নো স্বৰূপতে বুৰঞ্জী বা আধুনিক বিষয়ৰ কাব্য এই কেইখনেই প্ৰথম। কমতাপুৰ ধ্বংস-কাব্য দ্বিতীয় সৰ্গৰ পৰা ঃ

"বিৰ্ বিৰ্ বিৰ্ কৰি বলিছে মলয়
কমতাপুৰৰ সেই ৰাজ-উদ্যানত।
গোলাপী সখীয়ে স'তে সাদৰী কুঁৱৰী
লইছে সন্ধিয়া বায়ু আনন্দ মনত।
ফুলৰ গোন্ধেৰে আজি ভৰিছে ফুলনি,
কুঁৱৰীয়ে ছিঙে ফুল এপাহি দুপাহি,—
গোলাপ, মালতী, জাতি, বকুল, বন্দুলী,
গাঁথে মনোৰম মালা অন্তৰ উলাহি।"

এই অমিত্ৰাক্ষৰৰ লগত পদ্মনাথৰ ((১৮৭১-১৯৪৫) "লীলা"ৰ –

"নাজানো পূজাৰ বিধি, বন্দনাৰ ৰীতি,
বীণাপাণি বাগ্দেৱী চৰণ তোমাৰ ;
কিৰূপে পূজিম হায়, বন্দিম কিমতে !

বজোৱাঁ অনন্ত কাল সঞ্জীৱনী বীণা,
গহীন জোঁকাৰে তাৰ কঁপাই বননি,
সবাই কতনা ফুল কবি-ফুলনিত।"

ৰমাকান্ত-ভোলানাথৰ পৰা পদ্মনাথ-হিতেশ্বৰলৈ এই পৰিবৰ্ত্তনত ভাষা মকৰা হোৱাৰ লগে লগে ধ্বনি-সামঞ্জস্যপূৰ্ণ আৰু প্ৰবাহমান ছন্দ অমিত্ৰাক্ষৰৰ মূল দুই গুণৰ সৌন্দৰ্য্য আৰু ভাৱ-ভাষাৰ গাম্ভীৰ্য্য ক্ৰমে টুটি অহা গম ধৰিব পাৰি। হিতেশ্বৰৰ গীতি-কবিতাবোৰ তেওঁৰ কাব্যতকৈও অধিক কবিত্বৰ প্ৰমাণ; "প্ৰাণৰ জিতেন"ত :—

"ফুলনিৰ মোৰ গোলাপ জুপিত ধৰিলি চাৰিটি কলি;
চাৰিটিৰে এটি কিয়, ঐ জিতেন, থিতাতে লেৰেলি গলি?
ফুলনি শুৱাই আছিলি, সোণাই; তোক কিহে নিলে হৰি?
চকু-পচাৰতে হিয়া উদঙাই দিনতে আন্ধাৰ কৰি!
নিৰদয় পোকে কুটিলেনে তোক, শুৱনী গোলাপ পাহি?
চ'তালি ব'দে নে পেলালে লেৰেলা, নাইহ মধুৰ হাঁহি?...
জীৱন-মৰণ একে, সোণকণি, মৰণ বৰঞ্চ ভাল;
বিষাদৰ কন্দা নাথাকে তেতিয়া, অন্তৰ নদহে কাল।
সংসাৰৰ দুখ নউ পাওঁতেই গইছ সংসাৰ এৰি;
সুখৰ জীৱটি গ'লি সুখতেই, সুখৰ লাহৰী ফেৰি!...
দেৱকন্যাসৱে নিতে কোলা লব অতি যে আদৰ কৰি;
শুবৰ বেলিকা কাষত শুৱাব ডিঙিত সাৰটি ধৰি।
কান্দিব খুজিলে নিচুকাব তাত, আছে জগতৰ আই;
ভোকৰ বেলিকা অন্নদা' খুৱাব, দুখ কোনোটিতে নাই!
যদি কেতিয়াবা "দে-তা"ক বিচাৰ, "মা-গ" লৈ মনত পৰে;—
ৰাতি সপোনত আহি দেখা দিবি, জানোবা হেপাহ পূৰে!...
তোমাৰেই মায়া (সংসাৰৰ মায়া), সি মায়া-জালত পৰি
সোণক হেৰাই কান্দি উঠে প্ৰাণ, ওলায় চকুলোধাৰি॥
সি মায়া-ডোলতে বান্ধ খাই প্ৰভু, তালই চিতনি লাগে;
জানো সিপুৰীত "মা-গ" "দেইতা"ক নেদেখি জিতেন কান্দে।

যদি কোনো দিন কান্দে সোণে তাত, আমাৰ সলনি, হৰি,
কোলা লই তাক চুমা এটি দিবা ডিঙিত সাবটি ধৰি।—
কুমলীয়া লৰা অকলে নেৰিবা, ছাগকে ভাবিব বাঘ ;
নজনা লৰাই যদি দুষ্ট কৰে, তুমি নোকোবাবা তাত।
তুমি দয়াময়, জগতৰ পতি ; তুমি ব্ৰহ্মা বিষ্ণু হৰি ;
তোমাৰ কাষত ইয়াকে থাটিলোঁ দুখানি চৰণ ধৰি।”

“কাণৰ থুৰীয়া” নামৰ চৈধ্য শাৰীৰ এঙৰ বিতোপন কবিতা—

“পূৰ্ব জনমৰ জানো কত পুণ্যফলে
থুৰীয়া জনম পালি এই জগতত ;
শোওঁতে-খাওঁতে কিম্বা উঠোঁতে-বহোঁতে
চুমা দিয় প্ৰেয়সীৰ কোমল গালত।
যি চুমাৰ হেপাহত আতুৰ প্ৰেমিক,
প্ৰেমৰ ৰাজ্যৰ যিটো অমূল্য ৰতন ;
যাক লই সংসাৰৰ সকলো বলিয়া,
অনায়াসে তই কিন্তু পায় সেই ধন।
যি চুমাৰ মাথোঁ এটি পাবৰ আশাত,
প্ৰেমিকে উছৰ্গা কৰে পৰাণ নিজৰ ;
সেই চুমা লাখ লাখ নিতে থায় তই,
নাজানো কি পুণ্য তোৰ আছিল পূৰ্বৰ !
নহল আমাৰো কিয় থুৰীয়া জনম !
পালোঁ হয় নিতে কত মধুৰ চুম্বন।”

ইয়াক পদ্মনাথৰ “ওৰণি” কবিতাৰ লগত বিজাৰ লগীয়া :—

“মৰি যদি জীওঁ পুনু জীৱন সলনি কই,
মৰি মৰি জন্ম ধৰোঁ ৰমণী ওৰণি হই !
আবেগৰ ছেগ ধৰি ধৰোঁতে প্ৰিয়াক লাজে,
বচাম মুখনি ঢাকি অৱলা-সাৰথি সাজে’।
আহিলে বসন্ত ৰাগ মলয়াত উটি-বুৰি,
বিজুলী বয়ানখনি দেখুৱাম উৰি উৰি।

চকুৰে চকুৰে ছুৱো চকু-কথা পাতোঁতেই
বিচ্ছেদ খেমালি চাম ঢাকি ধৰি লাচতেই।
ছেৱে ছেৱে ঠেও ধৰি মিচিকি হাঁহিটি চাম ;
ইগালে পোহৰ যাচি অ'বেগৰ চুমা খাম।
ঢেৰেকনি ধুমুহাই অকস্মাতে গাজ্জি উঠি
বিচ্ছেদৰ বিভীষিকা যদিহে দেখায় মথি ;
অপায়ৰ আঁৰ কৰি প্ৰিয়াক বুজনি দিম,
বিষবিষ চকুপানী চিপে চিপে টুকি পিম।
আমন-জিমনকই থাকোঁতে নীৰলে ৰহি,
আযোলনি শোভা চাম খোপাত লাচতে থহি।
সৌন্দৰ্য্যৰ ৰূপ-ৰস বিৰিঙিলে কপালত
কপালেৰে মচি ল'ম উলাহেৰে তিসকত।
এতেকে বাসনা মোৰ পূৰ্ণ হয় যাতে অই !
নৰি জন্ম লওঁ যেন ৰমণী ওৰণি হই !!

ৰঘুনাথ চৌধাৰী ১৮০১ শকৰ মাথত গুৱাহাটী মহকুমাত জন্মে ; সকতে পিথালিৰ পৰা পৰি এওঁৰ ভৰি ছুটা খুনীয়া হোৱাত এওঁ শাৰীৰিক অক্ষম হয়। গুৱাহাটীৰ ইংৰাজী পঢ়াশালিৰ তলৰ কেইশ্ৰেণীমান পঢ়িয়ে এওঁ পঢ়া এৰে ; কিন্তু ইংৰাজী সাহিত্যৰ জ্ঞান-অৰ্জনৰ উপায় নাথাকিলেও সমসাময়িক বঙলা কবিতা অধ্যয়ন কৰি গুৱাহাটীৰ পৰা ওলোৱা দ্বিতীয় ভাগ "জোনাকী"ৰ কালৰ পৰাই এওঁ লিখিবলৈ ধৰে। অধ্যয়ন আৰু অভিজ্ঞতাৰ সঙ্কীৰ্ণতা সত্বেও স্বাভাৱিক কবিত্বৰ যথেষ্ট পৰিচয় এওঁৰ কবিতাবোৰত পোৱা হয়। এই শতিকাৰ দ্বিতীয় দশকত "সাদৰী", তৃতীয় দশকত "কেতেকী" আৰু "কাৰবালা", আৰু চতুৰ্থ দশকত এওঁৰ "দহিকতৰা" নামৰ দীঘল কবিতাটি ওলায়। "কাৰবালা" অমিত্ৰাক্ষৰী ৰচনা ; কিন্তু অত্যধিক সংস্কৃতীয়া হোৱাৰ বাবে এওঁৰ কবিতাবোৰৰ সমান উপভোগ্য নহল। এওঁৰ চৰাই কবিতাই সৰহ, আৰু পোনপাকে নহলেও আওপাকে মডৰ্হৰ্থ শ্ৰেণী কীটছ আদিৰ প্ৰভাৱ এই-বোৰত মন কৰিব পাৰি ; কিন্তু সেইবোৰত কবিৰ যি এটা অভিনৱত্ব আছে, এওঁৰ আন ৰচনাত নাই। তথাপি বৰ্ণনামূলকভাৱে চৌধাৰীৰ কবিতা সদায় যে সোৱাদ-লগা "কেতেকী"ৰ দ্বিতীয় তৰঙ্গৰ এনে উদ্ধৃতিৰ পৰাই বুজিব পাৰি—

"বসন্ত আহিলে, আমে মলিয়ালে, কঁঠালে পেলালে মুচি ;
মদালাপী কুলি তাকে চাবলৈহ আহিছে মুৰটো চুঁচি।
নাই লাসবেশ সুৰাগী কুলিৰ, কালিমা বৰণ দেহা ;
গীত গাই কিন্তু ললিত পঞ্চমে বেহায় প্ৰেমৰ বেহা।
তোৰ গীত শুনি বহাগী আইটী গাভৰু সজালে গা ;
তোৰ লগতেই আহিল লগৰী শীতলী মলয়া বা।
পুষ্প কাননত তৰু-লতাৰাজি ধৰি নৱ কিশলয়,
অপৰূপ ৰূপে শ্যাম কুঞ্জ পাতি ৰবে ধৰা সুখময়।
কুঞ্জ কুটিৰৰ পদুলি মুখত বাঙলি অশোক জুপি
আদৰিছে তোক লাহ-লোটনেৰে সজাই ফুলৰ থুপি।
ধীৰ সমীৰণে ধীৰে নচুৱায় শ্যামল অঞ্চলখনি,
ৰদৰ বঞ্চিত জলে কি সুন্দৰ লোটনীয়া ফুলমণি।...
তোৰ মাত শুনি লাজুকী বোৱাৰী ৰবলই এবে তাঁত,
হাতৰ মাকোটি হাততেই ৰয়, হেবায় মুখৰ মাত।
সেইটি সুৰতে জীয়ৰী ছোৱালী আপোন-পাহৰা হয় ;
যঁতৰত থকা মহুৰা কাঠিটি যঁতৰতে লাগি ৰয়।
ৰঙমনে কত প্ৰেমালাপ কৰি গাভৰু আইটীহঁতে
হংসিনী খোজত পানী-ঘাটলই গইছিল বাটে বাটে ;
মনে মনে গই দাঁতি-কাষৰীয়া গছ এজুপিৰ পৰা
পূৰ্ণ আবেগত কি সুৰ টানিলি পৰাণ আকুল কৰা :
উদাস ভাবত তোৰ ফাললই ৰ লাগি ৰই ৰ'ল,
সুগন্ধি পৰিল বাচকবৰীয়া খোপাৰ মালতী ফুল।
প্ৰাণ কাঢ়ি লই গুচি গলি তই, কৰিলি চঞ্চল চিত ;
চম্পা কলি যেন ভবিৰ আঙুলি ছিগি যায় উজুটিত।"

শ্ৰীঅম্বিকাগিৰি ৰায়চৌধাৰী বৰপেটা মহকুমাত জন্মে। ১৯১৪ত এওঁৰ "তুমি" আৰু ১৯১৬ত "বীণা" নামৰ পদ-পুথি ওলায়। ওজঃ গুণ এওঁৰ কবিতাৰ বিশেষত্ব, আৰু এওঁৰ "তুমি"ত শক্তিশালী ভাব প্ৰকাশৰ চিন পোৱা হয়। (অধ্যয়ন ২৪৩-৪৮পিঠি) পদ্মনাথ শৰ্মাৰ 'তুমি'ৰ লগত। অম্বিকাগিৰিৰ 'তুমি'ৰ দৰে কমলাকান্তৰ "বাসন্তীৰ বিয়া"ৰ লগত ৰঘুনাথৰ "বহাগীৰ বিয়া"বো এনে

এটা সম্পৰ্ক দেখিবলৈ পোৱা হয়; কিন্তু এই পৰবৰ্ত্তী দুই চৌধাৰীয়ে অদৃষ্টে নিজস্ব অনুসাৰে নিজ নিজ কবিতাক একোটি স্বকীয়া গঢ় দিছে।

এইসকলৰ উপৰিও অসমীয়া নৱন্যাস-নীতিৰ সমৰ্থনত যোৱা শতিকাৰ শেষ দশকৰ পদ্মনাথ, বেণুধৰ আদি আৰু এই শতিকাৰ প্ৰথম দশকৰ চন্দ্ৰধৰ-দুৰ্গেশ্বৰ আদি বহুতো আছে; এইসকলৰ প্ৰাধান্য অনুসাৰে নাটক আদিৰ সম্পৰ্কত উল্লেখ কৰা হব। তাৰ বাহিৰে এই শতিকাৰ দ্বিতীয়-তৃতীয় দশকৰ পদ্মধৰ, সূৰ্য্যকুমাৰ, যতীন্দ্ৰনাথ, ৰত্নকান্ত, দণ্ডিনাথ, ডিম্বেশ্বৰ, বিনন্দচন্দ্ৰ, নলিনীবালা, শৈলধৰ, অতুলচন্দ্ৰ আৰু চতুৰ্থ পঞ্চম দশকত দেৱকান্ত, নীলমণি, গণেশচন্দ্ৰ, যালিক আদি নৱন্যাস-নীতিৰ সমৰ্থক পোৱা হয়। গুটীয়া কবিতা লেখক ৰূপেও এই শতিকাৰ প্ৰথম দশকৰ অকালত মৃত্যু হোৱা পৰা গোপালচন্দ্ৰ, উমেশচন্দ্ৰ, সিংহদত্ত, গণেশলাল আদি প্ৰসিদ্ধ।

নৱন্যাসৰ গদ্য, উপন্যাস, নাটক, চুটিসাধু আদি

ইংৰাজী নৱন্যাসৰ দৰে অসমীয়া নৱন্যাসো কবিতাৰ পৰা উপচি উপন্যাস-নাটক আদি গদ্যলৈ বাগৰি অহাৰ কথা আৰু সাহিত্যৰ বাট-দেখাওঁতাসকলে থাপনা কৰা বৰ্ত্তমান গদ্যৰ চানেকি দেখুৱাই অহা হৈছে। বিশেষ গঢ় বা ৰূপত খণ্ড-ৰচনা বা প্ৰবন্ধ খণ্ড-কবিতাৰ দৰেই অসমীয়া আদি ভাৰতীয় সাহিত্যলৈ ইংৰাজী সাহিত্যৰ অন্যতম অৱদান। কোনো নিৰ্দিষ্ট বিষয়ৰ চমু আলোচনা, বিশেষ নামেৰে নহলেও, ইংৰাজীত ষোল শতিকা বা তাৰ আগৰে পৰা আছিল; তথাপি তাৰ বিশিষ্ট প্ৰথম নিদৰ্শনৰ লগত বেকনৰ নাম সবিশেষভাৱে সংশ্লিষ্ট। ইংৰাজীত টেছিটছৰ অনুসৰণত লিখা চুটি আৰু চোকা খণ্ডবাক্য আৰু তেনে গধুৰ সাৰগৰ্ভ বাক্যবিন্যাসৰ জনক বেকনেই; এই বিষয়ৰ ধাৰণা বেকনে সম্ভৱতঃ আগৰ ইংৰাজী সাহিত্যতকৈ মণ্টেন্ আদি ফৰাছী সাহিত্যিকসকলৰ বিখ্যাত ৰচনাবোৰৰ পৰা পোৱা। সপ্তদশ শতিকাৰ ইংৰাজীত এই বিধ সাহিত্যৰ বিশেষ শ্ৰীবৃদ্ধি হয় ফুলাৰ, ব্ৰাউন, মিল্টন, কাউলি আদি গদ্য-লেখকসকলৰ হাতত। তেতিয়াৰ পৰা বৰ্ত্তমানলৈকে ওঠৰ শতিকাৰ ষ্টীল, এডিচন্ আদি সুপ্ৰসিদ্ধ গদ্য-লেখকসকলৰ আলোচনী-সাহিত্যৰ ভিতৰেদি তাৰ সোঁত আপুনি বলি আহিছে। সাধু-উপন্যাস নহয়, কিন্তু তেনে পাতল অথচ শিক্ষাপ্ৰদ কোনো বিষয়ৰ লিখা পঢ়িবৰ থাউতি এই ৰচনা-সাহিত্যইহে পূৰণ কৰে। অসমীয়াত বৰ্ত্তমান যুগৰ

আগত এনে বিধ সাহিত্য দেখা পোৱা নহয়; "অৰুনোদই"তে ইয়াৰ প্ৰথম অভ্যুদয় বুলিব পাৰি। এই সম্পৰ্কত আগতে দেখুৱাই অহা ঢেকিয়াল ফুকনৰ "ইংলণ্ডৰ বিৱৰণ", গুণাভিৰামৰ "সো৘াৰ ভ্ৰমণ", হেমচন্দ্ৰৰ "আত্মজীৱনী"ৰ উপৰিও কমলাকান্তৰ "গুটিদিয়েক চিন্তাৰ ঢৌ" আদিৰ পাছত আন কেইবাজনো প্ৰসিদ্ধ গদ্যলেখকৰ ৰচনাৰে বৰ্ত্তমান অসমীয়া সাহিত্য সমৃদ্ধিশালী হৈ উঠে।

লম্বোদৰ বৰা (১৮৬০-৯২) তেজপুৰ মহকুমাৰ গমিৰি (হেলেম) মৌজাৰ থালীপুখুৰীয়া গাঁৱত ওপজে। এজন সাধাৰণ অথচ ওখমনা সজ খেতিয়কৰ ঘৰত জন্মি চুটি জীৱন গোটেইটো দৰিদ্ৰতাৰ লগত যুঁজি চিৰৰুগীয়া শৰীৰেৰে এওঁ অসমীয়া সাহিত্যক যিখিনি ধৰণি শোধালে, দেখি তবধ মানিব লাগে। এওঁ ছাত্ৰবৃত্তি শ্ৰেণীত পঢ়োঁতে পৰা "আসাম-বিলাসিনী"লৈ প্ৰবন্ধ-পাতি দিয়ে, আৰু বি-এ পৰীক্ষা দি আহিয়ে "লৰা-বোধ" নামৰ পঢ়াশলীয়া পুথি লিখে। তাৰ পাছত এবছৰ মান কহিমা মজলীয়া ইংৰাজী পঢ়াশালিত প্ৰধান শিক্ষকৰ কাম কৰে; আৰু তেতিয়াই কালিদাসৰ "শকুন্তলা" নাটকৰ ভাঙনি লিখি উলিয়ায়। তাৰ পাছত বি-এল্ মহলা দি উত্তীৰ্ণ হৈ তেজপুৰত ওকালতি কৰে, আৰু সেই কালতে "জ্ঞানোদয়" নামৰ পঢ়াশলীয়া পুথি প্ৰকাশ কৰে। অকাল মৃত্যুৰ বাবে এওঁৰ হাতে-লিখা আধৰুৱা "আনন্দৰাম বৰুৱাৰ জীৱন চৰিত", "সমাজ-দৰ্পণ নাটক", "ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ", "ভূগোল বিদ্যা" আদিয়ে পোহৰৰ মুখ দেখিবলৈ নাপালে। তদুপৰি "জোনাকী"ত প্ৰকাশিত প্ৰথম বছৰত "গান", দ্বিতীয়-তৃতীয় বছৰত "অসমীয়া ভাষাৰ আখৰ-জোটনি", চতুৰ্থ বছৰত "উপন্যাস আৰু আত্মহত্যা"; আসাম-তৰা কাকতত "বিয়াৰ খৰচ", "অলঙ্কাৰ আৰু দৰ্কাৰ"; "আসাম-বন্ধু"ত "সদানন্দৰ কলাঘুমটি"; "আসাম-নিউচত" "বেগাৰ ধৰা" আদি ভালেখিনি মূল্যবান প্ৰবন্ধও প্ৰায় হেৰাল।

বৰ্ত্তমান অসমীয়া কথা-ৰীতিত লম্বোদৰৰ ৰবঙণিৰ মূল্য কোনোমতেই আওকাণ কৰিব নোৱাৰি; সবহ নালাগে, এওঁৰ পঢ়াশলীয়া পুথিকেখনৰ গদ্যতো এওঁৰ স্বদেশ-প্ৰেমৰ মহৎ অনুপ্ৰেৰণাৰ উমি উমি তাপ অনুভৱ কৰিব পাৰি: "আমি অসমীয়া মানুহ। অসম দেশ আমাৰ জন্মভূমি। এই কাৰণে আমি এই দেশক নিজৰ মাতৃ আৰু স্বৰ্গতকৈও বেছি ভালপোৱা উচিত। প্ৰত্যেক অসমীয়াই জন্মভূমিৰ সেৱা কৰিবলৈ শিকা কৰ্ত্তব্য। যেতিয়াই আমাৰ মনত দেশানুৰাগ সোমাব, দেশৰ দুৰ্দশা আমাৰ চকুত পৰি দেশৰ দুখত আমাৰ চকুপানী ওলাব,

দেশৰ মানুহক আমাৰ ভাই-ককাই বুলি জ্ঞান কৰিব পাৰিম, তেতিয়াহে এই দেশৰ উন্নতি হব। ...জনমভূমিৰ ঘোৰ দুৰবস্থা, অসমীয়াৰ ঘোৰ টোপনি! ইয়াতকৈ ধিক্কাৰৰ কথা একো নাই। এতেকে আহাঁ, দেশৰ নিমিত্তে নিজক পাহৰোঁ, দেশৰ নিমিত্তে নিজৰ অৰ্থ, শক্তি, সময়, বিদ্যা, বুদ্ধি সকলোকে উৎসৰ্গ কৰোঁহক, জন্মভূমিৰ গৌৰৱ হওক, অসমীয়া জাতিয়ে উন্নতিৰ জখলাত আগবাঢ়োক, আমাৰ সামান্য জীৱনো সাৰ্থক হওক।" (জ্ঞানোদয়)। ঠিক একে বিষয়ে গুণাভিৰাম বৰুৱাই লিখা: "এই অসম দেশ আমাৰ মাতৃভূমি। আমি ইয়াতেই উপজিছোঁ, ইয়াতেই শিক্ষা পাইছোঁ; এই দেশৰ নামেই আমি সংসাৰ-হাটত বিকা হই আছোঁ। জননী যেনে আদৰণীয়া আৰু পূজনীয়া, এই আমাৰ জন্মভূমিও আমাৰ পক্ষে তেনে মৰম আৰু সেৱাৰ থলী। যাক যি ভাল পায়, তাক সি ববকৈ শলাগে; সেই শলাগিবলগীয়া বস্তুৰ যিমানেই দুৰ্ব্বলতা থাওক, যিমানেই আসোৱাহ থাওক, সেইবোৰ সেইজনে নেদেখে। এনে ভাব দুৰ্ব্বল আৰু স্বাৰ্থপৰ হলেও ই অতি মনোৰম।" (সৌমাৰ-ভ্ৰমণ)। এই দুই আহি মিলাই চালেই দেখি গুণাভিৰামৰ ভাবা যেনে সৰল, অনুভৱো তেনে জুৰ; কিন্তু লম্বোদৰৰ ভাবা সৰল হলেও ভাৱত উমি উমি তাপ এটা সহজে অনুভূত হয়।

প্ৰথম ভাগ প্ৰথম সংখ্যা "আসাম-বন্ধু"ত প্ৰকাশিত "সদানন্দৰ কলাঘুমটি" প্ৰবন্ধত: "কেতিয়াবা কাণি-টিকিবাৰ ছাট মাৰি ধোঁৱাৰে ঘৰ গোটেইটো ভৰাই দিছিলোঁ; কেতিয়াবা টিকিবা এখি পায়স, কুঁহিয়াৰ, গুড়, গাখীৰ, মালভোগ কল, বৰা চাউলৰ পিঠা আদি কৰি সোৱাদ বস্তু খাই মুখ তপালিছিলোঁ; ....কেতিয়াবা কেতিয়াবা ধপাত, তামোল, ভাঙ, হলে ব্ৰাহ্মণ-সেৱাৰে অনা এটুপি ব্ৰাণ্ডী, অভাৱত দুচকল "চৰাই"ৰ ভঙা মঙহ আদি বিবিধ দেৱ-পূজাৰ দ্ৰব্যেৰেও দশ ইন্দ্ৰিয়ৰ পূজা কৰা হৈছিল; মাজে মাজে কলা-যুৱতিৰে মিত্ৰতা কৰি, কেতিয়াবা হলি, কেতিয়াবা পড়ি, কেতিয়াবা বৰশি বাই, ঘামি, কাহি, হাঁহি হামিয়াই সংসাৰৰ সেঠালৈ একেবাৰে পিঠি দি পৰমানন্দ সাগৰত বুৰ মাৰিছিলোঁ। আহ! কেনে সুখ, কেনে আনন্দ, কেনে দেৱ-দুৰ্লভ জীৱন! আহা! কেনে ঘুমটি! কেনে সুখৰ কলাঘুমটি। যাক দেৱতায়ো নাপায়, কিন্তু বিধাতাৰ বৰত, কানিৰ গুণত, অসমীয়াৰ ঘৰে ঘৰে। যি এই সুখৰ পৰা বঞ্চিত হৈছে, সি গৰ্ভতে নমৰিল কিয়? উপজিলেও আত্মঘাতী নহল কিয়?"

হেমচন্দ্ৰৰ কোৱা-ভাতুৰীৰ ব্যঙ্গৰ ঘোৰ নিষ্ঠুৰ মূৰ্ত্তি ইয়াত নাই; তুলনাত ই যেনে সাম্য তেনে ক্ৰীড়াশীল গদ্য।

"যেতিয়া প্ৰায় গোটেইখন পৃথিবী অজ্ঞান আন্ধাৰৰ ক'লা ঢাকনিয়ে ঢাকি থৈছিল, যেতিয়া প্ৰায় সকলো মানুহে উলঙ্গ বেশে পৰ্ব্বতৰ গাতত বাস কৰি হাবিৰ পহু আৰু গছৰ ফল-মূল খাই জীৱন-ধাৰণ কৰিছিল, তেতিয়াও এই পুণ্যভূমি ভাৰতবৰ্ষ জ্ঞানৰ পোহৰেৰে ভোটা তৰাৰ দৰে জিলিকি আছিল।" (আনন্দৰাম বৰুৱাৰ জীৱনীৰ পাতনি)। নিপুণ শিল্পীৰ হাতৰ, ইংৰাজী লেখক মেকলেৰ দৰে, এনে ধ্বনিপূৰ্ণ অলঙ্কাৰযুক্ত ভাষা লম্বোদৰৰ আগত অসমীয়াত দেখা পোৱা নহয়; এই বিষয়ত এওঁৰ একমাত্ৰ বংশধৰ আৰু তেজৰ সম্পৰ্কতো আত্মীয় আনন্দচন্দ্ৰৰ গদ্যত মাত্ৰ ইয়াৰ অনুকৰণ দেখিবলৈ পোৱা হয়: "ক্ষমা স্বৰ্গীয় বস্তু। ক্ষমা মানুহৰ সুখ, জগতৰ শান্তি। ক্ষমা তেজস্বীসকলৰ তেজ, তাপসসকলৰ বেদ, সত্য-পৰায়ণৰ সত্য; ক্ষমা দয়াময় পিতাৰ কণ্ঠমালা। সকলো মানুহ প্ৰকৃত ক্ষমাশীল হোৱা হলে এই পৃথিবী সোণৰ হলহেতেন; দুখ-কুঁৱলীয়ে আৱৰি থকা এই পৃথিবীত স্বৰ্গৰ জেউতি পৰিলহেতেন।" এই আটকধুনীয়া কথা-ৰীতিয়ে অসমীয়া গদ্যক এক নতুন প্ৰেৰণা দিলে সচা, কিন্তু ই সৰহ কাল নিটিকিল; প্ৰায় সকলো সাহিত্যতে এনে অলঙ্কাৰশালী গদ্যৰীতিৰ আকৰ্ষণ তীব্ৰ কিন্তু ক্ষণস্থায়ী হয়।

সত্যনাথ বৰা (১৮৬০-১৯২৫) ১৭৮২ শকত গুৱাহাটীৰ ভৰলুমুখত ওপজে; এওঁৰ উপৰিপুৰুষ তেজপুৰৰ নতুৱাৰ অঞ্চলৰ হেৰাপোৱা গাঁৱত আছিল। পিতাক দয়ানাথ আৰু মাক অময়াক এওঁ ক্ৰমে সাত আৰু ন বছৰমান বয়সতে হেৰুৱায়; আৰ্থিক অৱস্থা কোনো প্ৰকাৰে স্বচ্ছল নথকাত কোনোমতে দদায়েকৰ আৰ্থিক সাহায্যৰ ওপৰত পঢ়া-শুনা কৰে। এওঁ ১৮৮১ত প্ৰবেশিকা, ১৮৮৬ত বি-এ, আৰু ১৮৮৯ত বি-এল পৰীক্ষাত উত্তীৰ্ণ হয়; ইয়াৰ ভিতৰতে এবছৰ মানৰ কাৰণে এওঁ ফৰিদপুৰ জিলাৰ হিন্দু একাডেমীৰ প্ৰধান শিক্ষক হৈ পৰীক্ষাৰ খৰচ উলিয়ায়। ওকালতিৰ শেষ কালতো এওঁ গুৱাহাটীৰ কটন কলেজৰ অসমীয়া আৰু আৰ্ল ল কলেজৰ আইন লেকচাৰৰ আছিল। ১৯২৫ৰ ১৩ দিচেম্বৰত এওঁ স্বৰ্গী হয়। "আসাম-বন্ধু"ত এওঁৰ ভালখিনি ধুনীয়া কবিতা ওলাইছিল আৰু ১৮৮৩ত এওঁ বৰ্ত্তমান অসমীয়া ভাষাৰ প্ৰথম গানৰ কিতাপ "গীতাৱলী" প্ৰকাশ কৰিছিল। স্বভাৱতে সত্যনাথৰ প্ৰতিভা পদ্যতকৈ গদ্যত

ফালেহে আছিল ; আৰু বৰ্ত্তমান যুগৰ এজন শ্ৰেষ্ঠতম গদ্যলেখক ৰূপেহে এওঁক ভৱিষ্যত বংশধৰসকলে মনত পেলাব। "বহল ব্যাকৰণ"ৰ বাহিৰেও এওঁ "সাৰথি", "সাহিত্য-বিচাৰ", "আকাশ-ৰহস্য" আদি কথা-পুথি উলিয়ায় ; এখন প্ৰথম খণ্ড-ৰচনাৰ পুথি ৰূপে "সাৰথি" আৰু এখন প্ৰথম সমালোচনাৰ পুথি ৰূপে "সাহিত্য-বিচাৰ"ৰ একোটা মূল্য থাকিলেও প্ৰায়ে তেওঁৰ যুক্তি আৰু সিদ্ধান্ত এমুৰীয়া বাবে সেইবোৰ টিকিব পৰা নাই। কিন্তু "বিদ্যা উদগতিৰ ঘাই আহিলা।" "বিদ্যা মানৱ মনৰ দীপ্তি।" "পুথিৰ বিদ্যা থুপাই থোৱা ধনৰ নিচিনা।" "চিন্তা মানৱ মনৰ জেউতি।" বেকনৰ লিখাৰ দৰে চুটি জ্ঞানগৰ্ভ বাক্যেৰে লিখা সত্যনাথৰ এনে অপূৰ্ব গদ্য-ৰীতিৰ সোৱাদ পঢ়োঁতাই বহুত কাললৈকে পাহৰিব নোৱাৰিব নিশ্চয়। লম্বোদৰৰ ধ্বনি আৰু অলঙ্কাৰপূৰ্ণ ৰীতি বা সত্যনাথৰ চুটি জ্ঞানগৰ্ভ নীতি উভয়েই অসমীয়া সাহিত্যৰ ৰতৰ-ৰঙীয়া ৰূপেহে থাকিল, তাৰ আদৰ্শ স্থায়ী নহল।

বৰ্ত্তমান দিনত সকলো ক্ষেত্ৰতে সৰলতাৰ দৰে মিতব্যয়িতাও মূলমন্ত্ৰৰ দৰে হৈছে ; আৰু গদ্য-পদ্য উভয় সাহিত্যতে ই কেনেদৰে জেউতি চৰাইছে ৰবীন্দ্ৰনাথৰ সাহিত্যলৈ লক্ষ্য কৰিলেই তাক বুজিব পাৰি। ভাষাৰ বৰ-নাও চলি যায়, কিন্তু ভাবৰ ঢৌ তেতিয়াও থাকে ; এয়ে যেন সাহিত্যৰ শেষৰ মাজত অশেষ, সীমাৰ মাজত অসীম। বৰ্ত্তমান জগতত গদ্যৰ আদৰ আৰু মহিমা যে বাঢ়িছে অতি-আধুনিক কবিতাত গদ্যৰ হেচাই তাৰ প্ৰমাণ। আগতে কোৱাৰ দৰে, কবিতা প্ৰায় সৰহ ভাগেই প্ৰকৃতিৰ সৃষ্টি, কিন্তু কথাৰীতি যোল অনাই কলা-বিদ্যা ; গতিকেই মানুহৰ অনুশীলন আৰু অধ্যৱসায়ৰ ফল। দুখ লগা কথা, এই সত্যৰ উপলব্ধি আৰু সেই অনুসাৰে আৱশ্যকীয় নেবা-নেপেৰা চেষ্টা অসমীয়া গদ্যত অন্ততঃ এই শতিকাৰ প্ৰথম-দ্বিতীয় দশকৰ পৰাহে নাই বুলিব পাৰি। শঙ্কৰদেৱ-মাধৱদেৱসকলৰ অঙ্কীয়া গদ্যতে পদ্যক গদ্যলৈ ভাঙনি কৰাৰ স্পষ্ট আভাস তাৰ পদ আৰু কথাত আছে ; বৈকুণ্ঠনাথ ৰঘুনাথ আদিৰ ভিতৰেদি পদ্যৰ এই গদ্য-ভাঙনি চলি আহি বৰ্ত্তমান অৱস্থা পাইছে। এটাতকৈ অধিক শব্দৰ উচ্চাৰণ কৰোঁতে শ্বাসবায়ু য'ত আপনি নামি আহে, তাতে গদ্যৰ যতি পৰে ; বৰ্ত্তমান কমা, ছেমিকলন, কলন আদি বিৰাম চিনবোৰ গদ্যত সঙ্গীতৰ তাল বা পদ্যৰ ছন্দ দেখুৱাবৰ সামান্য চেষ্টা মাত্ৰ। বৰ্ত্তমানৰ বিৰাম-চিনৰ এই বহুলতা, ভাব-সাম্য (বেলেঞ্চড্) বাক্য, ওজস্বিতা বা গদ্য-লালিত্য আধুনিক চেষ্টাৰ ফল। ইংৰাজী

সাহিত্যৰ মেকলে বা বঙ্গীয় সাহিত্যৰ ঈশ্বৰচন্দ্ৰৰ দৰে, অসমীয়া গদ্যত ছন্দ আৰু তালৰ ছেও আদি স্পষ্টকৈ প্ৰথম ধৰা পৰে লম্বোদৰৰ গদ্যত; অথচ ইয়াক কেতিয়াও ইংৰাজী-ভজুৱা, সংস্কৃতীয়া, বা বঙলুৱা বুলিব নোৱাৰি। অসমীয়া গদ্যত ঢেকিয়াল ফুকনেই পোনতে ইংৰাজী কথা-ৰীতিৰ আৰু বাক্যবিন্যাসৰ, আৰু হেমচন্দ্ৰই ইংৰাজী খণ্ডবাক্যৰ ভাঁজ সুমুৱায়; ইয়াৰ নিয়মিত ব্যৱহাৰে অৱশ্যে অসমীয়া গদ্যক এক নতুন বল দিছিল। লম্বোদৰৰ পাছত আনন্দচন্দ্ৰ আৰু হেম গোস্বামীয়ে অসমীয়া গদ্য বিশেষ অধ্যয়ন আৰু যত্নেৰে লিখা যেন লাগে; সত্যনাথৰ গদ্য চেষ্টাযুক্ত হলেও বৰ গতিশীল নহয়। লক্ষ্মীনাথৰ গদ্যও যত্নশীল বা চৰ্চামূলকতকৈ স্বাভাৱিকহে বুলিব পাৰি; পদ্মনাথৰ গদ্য যত্নশীল হলেও অলপ অস্বাভাৱিক আৰু শব্দবহুল। এইসকলৰ উপৰি গুণাভিৰাম, কমলাকান্ত, বেণুধৰ, ৰজনীকান্ত আদিয়ে ৰচনা, নাটক, উপন্যাস আদিৰ ভিতৰেদি অসমীয়া গদ্য-মথনত বিশেষ যত্ন কৰি গৈছে; কিন্তু সেই মথনৰ পৰা অমৃত ওলাবলৈ হলে পৰৱৰ্তী চেষ্টা যথেষ্ট আৱশ্যক হৈছে।

সাহিত্যত উপন্যাস থাইকৈ ওঠৰ শতিকাৰ সৃষ্টি; ইংলণ্ডই যদিও ইয়াৰ প্ৰথম আবিষ্কাৰৰ গৌৰৱ কৰে, তথাপি স্বৰূপতে আধুনিক ভাৱৰ উপন্যাস ইংলণ্ড, ফ্ৰান্স, আৰু জাৰ্মানী দেশত প্ৰায় একে সময়তে ওলায়। বৌদ্ধ জাতক বা ঈছপৰ গল্প-গছনি আৰু জীৱ-জন্তুৰ সাধু, অপ্সৰী আৰু জলকুঁৱৰী-বনকুঁৱৰীৰ সাধু, পুৰাণৰ দেৱ-দেৱীৰ সাধু, আৰবীয় উপন্যাস আৰু ৰবিন্সন ক্ৰুছৰ দৰে গাৰ নোম শিয়ৰোৱা অসাধাৰণ কাহিনী, আৰু শেষত আমাৰ আশে-পাশে থকা মানুহৰ দিনেকীয়া জীৱনত ঘটা সাধাৰণ কথা-বাৰ্ত্তা; এয়ে উপন্যাসৰ ক্ৰম-বিৱৰ্ত্তন। জীৱনেই মহৎ সত্য আৰু বৃহৎ সাধৰ, আৰু মানুহৰ চৰিত্ৰ আৰু দিনেকীয়া কাৰ্য্যাৱলীয়েই কেতিয়াবা মহৎ আশ্চৰ্য্য; ইয়াকে লক্ষ্য কৰি জীৱনৰ ব্যাখ্যা, সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিত চৰিত্ৰ-অঙ্কন আৰু সমস্যা-অধ্যয়ন আদিয়েই বৰ্ত্তমান উপন্যাসৰ থাই কথা। এনে বিচাৰত ১৭৪০ত প্ৰকাশিত ৰিচাৰ্দ্‌ছনৰ ইংৰাজী "পামেলা" উপন্যাসেই সেই সকলো উপন্যাস সাহিত্যৰ ভিতৰত প্ৰথম; অসমীয়াত সেই অনুসাৰে তাৰ দেড় শ মান বছৰৰ পাছত পদ্মাৱতী ফুকননীৰ সুধৰ্মাৰ উপাখ্যান ১৮৮০ত প্ৰকাশিত হয়, যদিও ইয়াক অৱশ্যে সাধুৰ দৰেহে লিখা হৈছে। তাৰ পাছত ১৮৯২ত পদ্মনাথৰ "ভানুমতী" আৰু ১৮৯৩ত "লাহৰী", ১৮৯৫ত ৰজনীকান্তৰ "মিৰিজীয়ৰী", ১৮৯৯ত হৰেশ্বৰ শৰ্মা বৰুৱাৰ "কুসুম কুমাৰী",

১৯০০ত ৰজনীকান্তৰ "মনোমতী", ১৯০৫ত লক্ষ্মীনাথৰ "পদুম কুঁৱৰী" আদি সামাজিক উপন্যাস ওলায়।

ৰজনীকান্ত বৰদলৈ (১৮৬৭-১৯৩৯) গুৱাহাটী নগৰৰ চেনিকুঠিত জন্মে। এওঁৰ ককাক তুৰাৰাম মান-ভগনত উজনিৰ পৰা আহি কামৰূপ জিলাৰ বজালিত থাকেহি; তাতে এওঁৰ পিতাক নবকান্ত ওপজে আৰু পাছত ৰজাঘৰীয়া কামত গুৱাহাটীলৈ আহে। ১৮৮৫ত ৰজনীকান্তই প্ৰবেশিকা পৰীক্ষাত উঠি কলিকতাৰ মেট্ৰপলিটান ইনষ্টিটিউচনত (বৰ্ত্তমান বিদ্যাসাগৰ কলেজ) নাম লগাই তাৰ পৰা ১৮৮৭ত প্ৰথম বিভাগত এফ্-এ ত উত্তীৰ্ণ হৈ ছিটী কলেজত বি-এ আৰু মেডিকেল কলেজত ডাক্তৰি পঢ়ে। ১৮৮৯ত এওঁ বি-এ ডিগ্ৰী লভি গুৱাহাটীৰ জিলা-অধিপতিৰ অফিছত কাকতী কামত সোমায়, আৰু ১৮৯১ত মাটি-হাকিম হয়। ১৯০১ত এওঁ মুন্সিফ পদলৈ উন্নীত হয় আৰু ১৯১৮ত ৰজাঘৰীয়া বিষয়ৰ পৰা আজৰি হয়। উত্তৰ লখীমপুৰত মাটি-হাকিম হৈ থাকোঁতেই মিৰি সমাজৰ অভিজ্ঞতা গোটাই নি ১৮৯৫ বৰপেটাত এওঁ প্ৰথম অসমীয়া নৱন্যাসমূলক উপন্যাস "মিৰি-জীয়ৰী" লিখে। ইয়াৰ বাহিৰে ১৯০০ত বুৰঞ্জীমূলক উপন্যাস 'মনোমতী", ১৯০৯ত "দন্দুৱা-দ্ৰোহ", ১৯২৫ত "ৰাধা-ৰুক্মিণী" আৰু "ৰঙ্গিলী", ১৯২৬ত "নিৰ্মল ভকত" আৰু "তাম্ৰেশ্বৰী মন্দিৰ", ১৯৩০ত "ৰহদৈ লিগিৰী" উপন্যাস ওলায়। ইয়াৰ বাহিৰে ১৮৯৬ত এওঁৰ শিশুপাঠ্য "জ্ঞান-সোপান", আৰু আলোচনীত "ভোলাই শৰ্মা" ছদ্মনামৰ আৰু নিজ নামৰ বহুত ধেমেলীয়া আৰু বুৰঞ্জীমূলক প্ৰবন্ধ প্ৰকাশিত হয়। ইংৰাজী সাহিত্যত ছাৰ ৱাল্টাৰ স্কট্ আৰু বঙলাত বঙ্কিমচন্দ্ৰৰ দৰে অসমীয়া সাহিত্যত সদায় বৰদলৈৰ বাবে এখনি ওখ আসন আছে। উপন্যাস লিখাৰ ৰীতি আদিত সম্পূৰ্ণ আধুনিক নহলেও মানৱ দিনৰ অসমীয়া সমাজৰ চিত্ৰ অঙ্কন আৰু মানৱ চৰিত্ৰৰ উদাৰ অধ্যয়নতো বৰদলৈৰ অসমীয়া সাহিত্যলৈ বৰঙণি অসামান্য নিশ্চয়। "মিৰি-জীয়ৰী"ৰ মৌলিক "দালিমী" চৰিত্ৰই বেজবৰুৱাৰ "জয়মতী কুঁৱৰী"ৰ "ডালিমী" ৰূপে পূৰ্ণতা লাভ কৰিছে বুলিব লাগিব; "সতৰাম নৰকী"ৰ চৰিত্ৰও বৰদলৈৰ উপন্যাসত উদাৰ মানৱীয় সহানুভূতিৰ পোহৰতহে প্ৰকাশ পাইছে। নিৰ্ম্মল ভকতৰ মহান্ আত্মত্যাগ, মনোমতী, ৰঙ্গিলী, ৰহদৈ, আদি চৰিত্ৰৰ পৱিত্ৰতা আৰু বুদ্ধিৰ বিচক্ষণতাই অসমীয়া জাতীয় চৰিত্ৰৰো প্ৰতিভা প্ৰকাশ কৰিছে। "নিৰ্ম্মল ভকত" আৰু "ৰহদৈ লিগিৰী"ত বৰদলৈয়ে বৰ্ত্তমান সমাজৰ